# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বিভিন্ন ঠাইৰ পৰা ইতিমধ্যে এই নৃত্য পৰিৱেশন কৰিবলগীয়া শিল্পীসকল গুৱাহাটীত আহি উপস্থিত হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলত প্ৰকাশ কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও আবেলি সৰুসজাইত উপস্থিত হৈ বাগৰুম্বা নৃত্যৰ আখৰাৰ লগতে সামগ্ৰিক পৰিস্থিতি সন্দৰ্ভত বুজ লয়।

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ কাইলৈ হ'বলগীয়া নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০০

বিশ্ব বেংকে ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ উন্নয়ন, সকলো বতৰৰ অনুকূল আন্তঃগাঁথনি নিৰ্মাণ আৰু সেৱা প্ৰদান প্ৰক্ৰিয়া সুচল কৰি তোলাৰ লগতে ৪০ লাখ শিক্ষাৰ্থীৰ দক্ষতা বিকাশৰ উদ্দেশ্যে তিনিটা প্ৰকল্পত অনুমোদন জনাইছে। ভাৰতৰ বাবে থকা বিশ্ব বেংকৰ কাৰ্যবাহী সঞ্চালক প'ল প্ৰছিয়ে প্ৰকাশ কৰা মতে ৩৫ কোটি ডলাৰেৰে ৰূপায়ণ কৰিবলগীয়া অসম দুৰ্যোগ অনুকূল পথ উন্নয়ন প্ৰকল্পই বিশেষকৈ পাহাৰীয়া ঠাইসমূহত সকলো বতৰৰ বাবে অনুকূল পথ নিৰ্মাণত সহায় কৰিব আৰু জনজাতীয় তথা গ্ৰামাঞ্চলৰ যাত্ৰীসকলৰ যাত্ৰাৰ সময় ৰাহি কৰাত সহায় কৰিব। এই প্ৰকল্পই ৰাজ্যৰ উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত আৰু পৰিবহণ ব্যৱস্থা শক্তিশালী কৰি তুলিব। এই প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰৰো অধিক যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ পথ প্ৰশস্ত কৰিব। একেদৰে ২৫ কোটি ডলাৰেৰে ৰূপায়ণ কৰিবলগীয়া অসম বিদ্যালয় শিক্ষা আৰু কিশোৰ কল্যাণ প্ৰকল্পৰ অধীনত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰ ২০ লাখ ছাত্ৰ-ছাত্ৰীৰ ফলাফল উন্নত কৰাত সহায় কৰিব আৰু ১০ৰ পৰা ১৯ বছৰ বয়সৰ অন্য ২০ লাখ যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৮ কোটি ডলাৰেৰে কাৰ্যকৰী কৰিবলগীয়া অসম প্ৰশাসন আৰু সেৱা প্ৰদান কাৰ্যসূচীয়ে আৱণ্টন আৰু ৰাজহুৱা সম্পদৰ ব্যয়, প্ৰশাসনিক সেৱা প্ৰদান প্ৰক্ৰিয়া আৰু ডাটাপ্ৰণালীকে ধৰি ৰাজহুৱা বিত্তীয় ব্যৱস্থা শক্তিশালী কৰি তুলিব।

০০০০০০

মাজুলীৰ লোহিত নদীৰ পাৰৰ ডেকাচাঙত প্ৰতিবছৰৰ দৰে এইবাৰো ‘মনগীত’ মহোৎসৱ অনুষ্ঠিত হৈছে। ৰাউল কৌশিক নাথ ফাউণ্ডেচনৰ উদ্যোগত যোৱা ১০ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত বিভিন্ন ধৰণৰ মনোগ্ৰাহী অনুষ্ঠিত হৈছে। আমাৰ মাজুলীৰ সংবাদদাতাই জনোৱা মতে বিশিষ্ট অভিনেতা আদিল হুছেইন, সংগীত শিল্পী জয় বৰুৱাকে ধৰি কেইবাগৰাকী ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শিল্পীয়ে যুৱক-যুৱতীসকলক সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ প্ৰয়াস কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট অভিনেতা আদিল হুছেইনে এইদৰে কয় –

বাইট

০০০০০০

যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰ নামঘৰত সদৌ অসম ভিত্তিত কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ ১০ খন ভাওনা অনুষ্ঠিত হ’ব। অহা ১৯ জানুৱাৰীত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাৰ কালি প্ৰথমখন ভাওনা **মৎস্য বিজয়** গোলাঘাট জিলাৰ বৰখেৰীয়াৰ অনন্ত বিজয় শিল্পী সমাজে প্ৰদৰ্শন কৰে।

০০০০০০

ডিব্ৰুগড়ৰ জ্যোতিনগৰ নিবাসী বিশিষ্ট চাহ ব্যৱসায়ী ৰাধেশ্যাম গোৰেংকাৰ কালি ৮৩ বছৰ বয়সত দেহাৱসান ঘটে। বৃক্ষমিত্ৰ হিচাপে পৰিচিত ৰাধেশ্যাম গোৰেংকাই ডিব্ৰুগড় চহৰৰ প্ৰায়বোৰ অঞ্চলত বিভিন্ন গছপুলি বিশেষকৈ কৃষ্ণচূড়াৰ পুলি ৰোপণেৰে সৌন্দৰ্য বৰ্ধনৰ চেষ্টা কৰিছিল। আজি চৌকিদিঙ্গী ৰাজহুৱা শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ’ব।

০০০০০০

**সমাপ্ত**